# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-OCT-2025
**Time :** 1715 HRS

# ***Assamese Evening Bulletin***

———————————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কলিয়াবৰ বিধানসভা সমষ্টিৰ মুঠ ৩২ হাজাৰ ৪৮২ গৰাকী হিতাধিকাৰীলৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। এই উপলক্ষে কলিয়াবৰৰ ডা০ টি আও ষ্টেডিয়ামত আয়োজিত জনসভাত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে  ৰাজ্যত বৰ্তমান প্ৰায় ৪ লাখ আত্মসহায়ক গোট আছে। কলিয়াবৰ সমষ্টিত প্ৰায় ৪ হাজাৰ আত্মসহায়ক গোট গঠন কৰা হৈছে। এনে আত্মসহায়ক গোটসমূহক শক্তিশালী কৰিবলৈ ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি অহাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰিভলভিং ফাণ্ড, বেংক ঋণ, চি এল এফ, ভিঅ', জীৱিকা সখী, বেংক সখী আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে এনে গোটসমূহৰ সৈতে জড়িত মহিলাসকলক চৰকাৰে সহায় কৰাৰ বাবে চেষ্টা চলাই আহিছে। আত্মসহায়ক গোটসমূহৰ মহিলাসকলে বিগত ১২-১৩ বছৰে বেংকৰ পৰা প্ৰায় ১২ হাজাৰ কোটি টকাৰ ঋণ লৈছে আৰু এই ঋণৰ ধন নিয়মীয়াকৈ ঘূৰাই দি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যৰ ৪ লাখ আত্মসহায়ক গোটৰ সৈতে জড়িত ৪০ লাখ মহিলাক সামাজিক আৰু ব্যক্তিগতভাৱে সহায় কৰি এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰা হৈছে বুলিও ড০ শৰ্মাই ভাষণত উল্লেখ কৰে। দেশত ৩ কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেখা সপোন অনুসৰণ কৰি ৰাজ্য চৰকাৰে ৰাজ্যৰ ৩০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্প লোৱা বুলিও তেওঁ কয়।

**বাইট (চি এম)**

০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত ক্ৰমে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। ষট পূজা উপলক্ষে আজি আদালতৰ কাম-কাজ বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে কালিয়েই পাঁচোজন অভিযুক্তক ভাৰ্চুৱেল মাধ্যমেৰে আদালতত হাজিৰ কৰোৱা হয়। পাছত আদালতে আটাইকেইজন অভিযুক্তকে পুনৰ ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

ইপিনে বিশিষ্ট সাহিত্যিক ড০ ৰীতা চৌধুৰীয়ে আজি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত চলি থকা তদন্তৰ প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়াই এছ্ আই টিৰ ওচৰত সাক্ষ্য প্ৰদান কৰে। তেওঁ তদন্তকাৰী গোটক সাক্ষ্য প্ৰদান কৰাৰ পাছত সাংবাদিকৰ সৈতেও মত বিনিময় কৰে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ কিছুদিন পূৰ্বে লোৱা এটা

সাক্ষাৎকাৰৰ কথা উল্লেখ কৰি কয়, যে সাক্ষাৎকাৰ গ্ৰহণ কৰাৰ সময়তো তেওঁ জুবিন গাৰ্গৰ শাৰীৰিক অসুস্থতাৰ উমান পাইছিল।

০০০০০

পশ্চিম কাৰ্বি আংলঙৰ ৰংখাং তিৱা সাংস্কৃতিক আঞ্চলিক সমিতিৰ উদ্যোগত আজি তিৱা জনগোষ্ঠীৰ অন্যতম উৎসৱ অষ্টাদশ লাংখন উৎসৱ উদযাপন কৰা হয়। তিৱা জনগোষ্ঠীৰ পৰম্পৰাগত লখিমীক আদৰা এই উৎসৱৰ লগত সংগতি ৰাখি সাতডাল লাংখন অৰ্থাৎ বাঁহেৰে সাতপুৰুষক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। জিলাখনৰ তৰাডুবিৰ বৰঘাটত অনুষ্ঠিত এই উৎসৱৰ লগত সংগতি ৰাখি বহুকেইটা সাংস্কৃতিক দলে লাংখন নৃত্য প্ৰদৰ্শন কৰে।

০০০০০

তদাৰকী সজাগতা সপ্তাহ উপলক্ষে আজি পাৱাৰগ্ৰীড কৰ্পোৰেচন অফ ইণ্ডিয়া লিমিটেডৰ উদ্যোগত প্ৰতিষ্ঠানটোৰ গুৱাহাটীৰ কাহিলিপাৰাস্থিত কাৰ্যালয়ৰ পৰা এ এছ ই বি ছাব ষ্টেচনলৈকে পদযাত্ৰা উলিওৱা হয়। প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলে বিভিন্ন শ্লোগন সম্বলিত বেনাৰ, পোষ্টাৰ লৈ পদযাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰি সমাজৰ পৰা দুৰ্নীতি আঁতৰোৱাৰ বাবে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ আৰু নৈতিকতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতি বছৰে তদাৰকী সজাগতা সপ্তাহ পালন কৰা হয় বুলি প্ৰতিষ্ঠানটোৰ কাৰ্যবাহী সঞ্চালক ডি কে জাভেৰিয়ে প্ৰকাশ কৰে।

০০০০০

দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যত পালন কৰা ষট্ পূজাৰ আজি সামৰণি পৰে। পূজা উপলক্ষে কালি ৰাজ্যখনত বাস কৰা হিন্দীভাষী উত্তৰ-ভাৰতীয় লোকসকলে বিভিন্ন প্ৰান্তৰ নৈৰ পাৰ, ঘাটসমূহত নৈবদ্য আগবঢ়াই আৰাধনা কৰে। কালি নিশাটো বিভিন্ন সাংস্কৃতিক আৰু আধ্যাত্মিক কাৰ্যসূচীৰ মাজেৰে নৈৰ ঘাটতে থাকি ভক্তসকলে আজি পুৱা উদিত সূৰ্য্যক প্ৰণাম কৰি পূজা-অৰ্চনা আগবঢ়ায়।

অসমৰ বিভিন্ন জিলাত এই পূজা অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ কছাৰীঘাটত কালি বিয়লিৰ পৰা অগণন লোকে ফল-মূল, পিঠাপনা আদি আগবঢ়াই অস্তমিত সূৰ্য্য দেৱতাক আৰাধনা কৰি আজি পুৱা উদিত সূৰ্য্যক ভক্তসকলে আৰাধনা কৰে। কামৰূপ জিলাৰ আমিনগাঁৱৰ শৰাইঘাট দলঙৰ সমীপত ব্ৰহ্মপুত্ৰৰ পাৰত আজি বহু লোক সমবেত হৈ এই পূজা সম্পন্ন কৰে। গুৱাহাটী মহানগৰীৰ পাণ্ডুঘাট, পাণবজাৰ, উজানবজাৰ, খাৰঘুলিকে ধৰি ভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰত সমবেত হৈ ভক্তসকলে অস্তমিত সূৰ্য্যলৈ নৈবদ্য আগবঢ়োৱাৰ লগতে আজি পুৱা উদিত সূৰ্যক প্ৰণাম জনায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুৱা পাণ্ডুঘাটত গৈ ষট পূজা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

শিলচৰত এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ ভালেসংখ্যক লোক সমবেত হৈ পূজা-অৰ্চনা কৰে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালন কৰে।

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণী, বৈঠালাংছ' আৰু হামৰেণত বাস কৰা ভোজপুৰী সম্প্ৰদায়ৰ লোকসকলৰ লগতে বঙালী সম্প্ৰদায়ৰ লোকসকলেও এই পূজাত অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলাৰ বিভিন্ন স্থানতো এই উৎসৱৰ আয়োজন কৰা হয়।

০০০০০

সমাপ্ত